**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-12-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
----------------------

১। ৰাজ্যত চলিত বৰ্ষৰ ডিচেম্বৰৰ ভিতৰতে এক লাখ ২৪ হাজাৰ ৯৮০ খন ৰেচন কাৰ্ড বাতিল।

২। অসম সাহিত্য সভা বিকৰ্তৰ পৰা আঁতৰাই ৰখাৰ ক্ষেত্ৰত স্থায়ী ব্যৱস্থা গ্ৰহণ কৰিব বুলি নৱনিৰ্বাচিত সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীৰ ঘোষণা।

৩। ৰাজ্যৰ গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদীয় সমষ্টিসমূহৰ পুনৰ নিৰ্ধাৰিত সীমা অনুসৰি পঞ্চায়ত নিৰ্বাচনৰ ভোটদাতাৰ চূড়ান্ত তালিকা প্ৰকাশ।

৪। গুৱাহাটীৰ খানাপাৰাত অনুষ্ঠিত অসম গ্ৰন্থমেলাৰ আজি চতুৰ্থ দিনত আলোচনা চক্ৰ, গ্ৰন্থ উন্মোচনৰ লগতে বিভিন্ন অনুষ্ঠানৰ আয়োজন।

**আৰু**

৫। মেলবৰ্ণত অনুষ্ঠিত ভাৰত অষ্ট্ৰেলিয়াৰ মাজৰ ব'ৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ চতুৰ্থখন টেষ্ট আকৰ্ষণীয় পৰ্যায়ত।

oooooo

অসম সাহিত্য সভাৰ নৱনিৰ্বাচিত সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীয়ে সাহিত্য সভাক অনাগত সময়ত বিতৰ্কৰ পৰা আঁতৰাই ৰখাৰ ক্ষেত্ৰত স্থায়ী ব্যৱস্থা গ্ৰহণৰ পোষকতা কৰিছে। আকাশবাণী গুৱাহাটীৰ সংবাদদাতা হেমন্ত দত্তৰে হোৱা আচুতীয়া সাক্ষাৎকাৰত ড০ গোস্বামীয়ে এই কথা প্ৰকাশ কৰিছে।

***(ভইচ ঃ ড০ বসন্ত কুমাৰ গোস্বামী)***

উল্লেখযোগ্য যে, ২০২৫-২৭ বৰ্ষৰ বাবে ড০ বসন্ত কুমাৰ গোস্বামী সভাপতি হিচাপে নিৰ্বাচিত হৈছে। গোস্বামীয়ে ৪০৩টা ভোট লাভ কৰাৰ বিপৰীতে ড০ উপেন ৰাভা হাকাছামে ৩২৫টা ভোট লাভ কৰিছে। একেদৰে উপ-সভাপতি পদত পদুম ৰাজখোৱাই ৩৮৯টা ভোট লাভ কৰি জয়ী হয়। বিপিন কলিতাই ২৪৩টা আৰু চহিৰ ভূঞাই ৯১টা ভোট লাভ কৰে। প্ৰধান সম্পাদক পদত অজিত প্ৰসাদ শৰ্মাক পৰাজিত কৰি দেৱজিত বৰা জয়ী হৈছে। দেৱজিত বৰাই ৪০৫টা ভোট লাভ কৰাৰহ বিপৰীতে অজিত প্ৰসাদ শৰ্মাই ২৪০টা ভোট লাভ কৰে। কামৰূপ জিলা সাহিত্য সভাৰ উদ্যোগত কালি দদৰাত অনুষ্ঠিত কাৰ্যনিৰ্বাহ বৈঠকত সামৰণিৰ দিনটোত ভোটগণনা সম্পন্ন হয়। কাৰ্যনিৰ্বাহ বৈঠকত বিশৃংখলতাৰ সৃষ্টি হোৱাৰ পাছতে একাংশ জ্যেষ্ঠ কাৰ্যনিৰ্বাহকৰ হস্তক্ষেপত পৰিস্থিতি সাম কাটে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসম সাহিত্য সভাৰ সভাপতি হিচাপে নিৰ্বাচিত হোৱা ড০ বসন্ত কুমাৰ গোস্বামীক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে। তেওঁ লগতে সভাৰ বিভিন্ন বিষয়বাবত নৱনিৰ্বাচিত প্ৰতিগৰাকী ব্যক্তিকে অভিনন্দন জ্ঞাপন কৰে। তেওঁ কয় যে বিশিষ্ট

সাহিত্যিকগৰাকীৰ বলিষ্ঠ ভূমিকাত অসম সাহিত্য সভাই নতুন গতি লাভ কৰিব। অসমৰ ভাষা-সাহিত্য সংস্কৃতিক বিশ্বমুখী কৰাৰ ক্ষেত্ৰত অসম সাহিত্য সভাই বিভিন্ন পৰিকল্পনা লৈ আগবাঢ়ি যাব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। অসম সাহিত্য সভাৰ নৱনিৰ্বাচিত প্ৰধান সম্পাদক দেৱজিৎ বৰাই সাহিত্য সভাৰ ভৱিষ্যৎ কাৰ্যপন্থাৰ সন্দৰ্ভত গুৰুত্বপূৰ্ণ মন্তব্য প্ৰদান কৰে।

*(ভইচ ঃ দেৱজিৎ বৰা)*

সভাপতিৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা ড০ উপেন ৰাভা হাকাচামে আমাৰ সংবাদদাতাৰ সৈতে হোৱা বাৰ্তালাপত ভোটগণনা প্ৰক্ৰিয়া আসোৱাহপূৰ্ণ বুলি অভিযোগ উত্থাপন কৰে। এই সন্দৰ্ভত ইতিমধ্যে ড০ হাকাচামে সাহিত্য সভাৰ নিৰ্বাচন সমিতি আৰু উচ্চ ক্ষমতাসম্পন্ন সমিতিৰ সভাপতিলৈ পত্ৰ প্ৰেৰণ কৰিছে।

০০০০০০

ৰাজ্যিক নিৰ্বাচন আয়োগে ৰাজ্যৰ গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদীয় সমষ্টিসমূহৰ পুনৰ নিৰ্ধাৰিত সীমা অনুসৰি পঞ্চায়ত নিৰ্বাচনৰ ভোটদাতাৰ চূড়ান্ত তালিকা প্ৰকাশ কৰিছে। ষষ্ঠ অনুসূচীৰ এলেকা আৰু পৌৰ নিগমৰ এলেকাসমূহক বাদ দি এই তালিকা প্ৰকাশ কৰা হৈছে। ২৭ খন জিলাত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ মুঠ ভোটদাতাৰ সংখ্যা ১ কোটি ৮০ লাখ ১৪ হাজাৰ ৯১৩। ইয়াৰে ৯০ লাখ ৬০ হাজাৰ ৬৪০ জন পুৰুষ আৰু ৮৯ লাখ ৫৩ হাজাৰ ৮৬৫ গৰাকী মহিলা ভোটদাতা। লগতে ৪০৮ গৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে। ভোটদাতাসকলে ৩৫৭ খন জিলা পৰিষদ, ১৮১ খন আঞ্চলিক পঞ্চায়ত, ২ হাজাৰ ১৯২ খন গাঁও পঞ্চায়ত আৰু ২১ হাজাৰ ৯২০টা ৱাৰ্ডৰ বাবে ভোটদান কৰিব। জিলা আয়ুক্তৰ কাৰ্যালয়, জিলা পৰিষদ, গাঁও পঞ্চায়ত অথবা খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়লৈ গৈ ভোটদাতাসকলে ভোটদাতাৰ তালিকাত নাম পৰীক্ষা কৰিব পাৰিব। ইয়াৰ লগতে ৰাজ্যিক নিৰ্বাচন আয়োগৰ ৱেবছাইটযোগেও ভোটদাতাৰ তালিকাত নিজৰ নাম চাব পাৰিব। চূড়ান্ত ভোটদাতাৰ তালিকাত ফটোযুক্ত পৰিচয় পত্ৰৰ নম্বৰ প্ৰদান কৰিও নিজৰ নাম পৰীক্ষা কৰিব পাৰিব।

০০০০০০

বছৰটোৰ অন্তিমটো দেওবাৰত কালি বাক্সা জিলাৰ মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ নাৰায়ণগুৰি বনভোজথলী বনভোজকাৰী দলেৰে ভৰি পৰে। ৰাজ্যৰ ভিন্ন প্ৰান্তৰ বনভোজকাৰী দলসমূহে মানাহৰ নাৰায়ণগুৰিত থকা বেকী নৈত নৌকা বিহাৰ কৰি আনন্দ-উল্লাস কৰে বুলি বাক্সা জিলাৰ সংবাদদাতাই জনাইছে।

ইফালে, ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বনভোজস্থলীসমূহতো কালি বনভোজ দলৰ ব্যাপক সমাগম পৰিলক্ষিত হয়। গুৱাহাটী মহানগৰী আৰু ইয়াৰ উপকণ্ঠ কেইবাটাও অঞ্চলৰ প্ৰাকৃতিক পৰিৱেশত আত্মীয়, বন্ধু-বান্ধৱৰ সৈতে ভালেসংখ্যক লোকে বনভোজৰ আনন্দ উপভোগ কৰে। নুনমাটিৰ চুণশালি, বশিষ্ঠ, টেঙেৰীয়া, ৰাণী, দীপৰবিল, চন্দ্ৰপুৰৰ উপৰি ৰাজ্যৰ অন্যান্য প্ৰান্তৰ বনভোজস্থলীসমূহত কালি বহু লোক সমবেত হয়। মৰিগাঁৱৰ পবিতৰা, চনকা, নগাঁৱৰ আকাশীগংগা, শিৱসাগৰৰ ঐতিহ্যমণ্ডিত স্থানসমূহৰ লগতে দিচাংমুখতো কালি বিভিন্ন প্ৰান্তৰ পৰা অহা বনভোজ দলসমূহে নৈসৰ্গিক পৰিৱেশত দিনটো অতিবাহিত কৰে। একেদৰে নামেৰী, কাজিৰঙা, চানডুবি, ওৰাং ৰাষ্ট্ৰীয় উদ্যানকে ধৰি বিভিন্ন স্থানসমূহতো জনসাধাৰণে ভিৰ কৰে। অসম ৰাজ্যিক চিৰিয়াখানাতো কালি পুৱাৰে পৰা দৰ্শনাৰ্থীৰ বাবে বিৰ দি বাট নোপোৱা পৰিৱেশৰ সৃষ্টি হয়। গোৱালপাৰা জিলাৰ উৰপদ বিলৰ পাৰতো বনভোজ দল আৰু পৰ্যটকে ভিৰ কৰা পৰিলক্ষিত হয়। বিলখনলৈ বিদেশী পৰিভ্ৰমী চৰাইৰ আগমন ঘটাৰ লগে লগে পৰ্যটকৰ সংখ্যাও বৃদ্ধি হৈছে। বিলখনৰ নৈসৰ্গিক শোভা উপভোগ কৰি পৰ্যটকসকল আপ্লুত হয়। শ্ৰীসূৰ্য পাহাৰতো বছৰৰ শেষৰটো দেওবাৰ উপলক্ষে বনভোজ দলৰ আগমন

ঘটে। মানস ৰাষ্ট্ৰীয় উদ্যানতো কালি দেশী-বিদেশী পৰ্যটকৰ ভিৰ পৰিলক্ষিত হয়। পৰ্যটকসকলে জীপ ছাফাৰীৰ জৰিয়তে ৰাষ্ট্ৰীয় উদ্যানৰ নৈসৰ্গিক সৌন্দৰ্য উপভোগ কৰে।

oooooo

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেল পথাৰত চলি থকা অসম গ্ৰন্থমেলাৰ আজি চতুৰ্থ দিনা কেইবাটাও মনোজ্ঞ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুসৰি আজি দিনৰ ২ বজাত চলচ্চিত্ৰৰ প্ৰচাৰ আৰু ব্যৱসায় সন্দৰ্ভত এখন আলোচনাসত্ৰৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত বিশিষ্ট চলচ্চিত্ৰ সমালোচক নয়ন প্ৰসাদ, অভিনেতা তথা পৰিচালক কেনি বসুমতাৰী, শ্যাম বৰা, অচিন্ত শংকৰ, অভিনেতা কমললোচন, প্ৰিয়ংকা বৰুৱা আদি আলোচক হিচাপে উপস্থিত থাকিব। অপৰাজিতা পূজাৰীয়ে পৰিচালনা কৰিবলগীয়া এই আলোচনাত বিশিষ্ট অতিথি হিচাপে মুম্বাইৰ চলচ্চিত্ৰ প্ৰযোজক, পৰিচালক, লেখক মনোজ শ্ৰীবাস্তৱ উপস্থিত থাকিব। সন্ধিয়া ৫ বজাত সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা গ্ৰন্থমেলাৰ বাকৰিত আজি কেইবাখনো গ্ৰন্থও উন্মোচন কৰা হ'ব।

কালি বিয়লি গ্ৰন্থমেলাথলীত ভিন্ন সাহিত্য ধাৰাৰ গ্ৰন্থ পঠনৰ আনন্দ শীৰ্ষক এখন আলোচনাচক্ৰ সম্পন্ন হয়। আলোচনাত অংশ লৈ বিশিষ্ট সাহিত্যিক-সমালোচক ড° আনন্দ বৰমুদৈয়ে কয়, যে সাহিত্যৰ পৰিমণ্ডল ন-ন ৰূপেৰে প্ৰসাৰিত হোৱা হেতুকে অধ্যয়নৰ বাবে গ্ৰন্থ নিৰ্বাচন কৰাটো পাঠকৰ গুৰু দায়িত্ব। কালি বছৰৰ অন্তিমটো দেওবাৰত গ্ৰন্থমেলাৰ বাকৰিত গ্ৰন্থপ্ৰেমীৰ যথেষ্ট ভিৰ পৰিলক্ষিত হোৱাৰ লগতে বহুসংখ্যক গ্ৰন্থ বিক্ৰী হয় বুলি উদ্যোক্তাসকলৰ পৰা জানিব পৰা গৈছে।

oooooo

## NEWSPAPER REVIEW

অসম সাহিত্য সভাৰ ২০২৫ৰ পৰা ২০২৭ বৰ্ষৰ কাৰ্যকালৰ বাবে বিশিষ্ট সাহিত্যিক অধ্যাপক ড০ বসন্ত কুমাৰ গোস্বামী সভাপতি, পদুম ৰাজখোৱা উপ-সভাপতি আৰু দেৱজিত বৰা প্ৰধান সম্পাদক হিচাপে নিৰ্বাচিত হোৱাৰ বাতৰিটো আজি প্ৰকাশিত প্ৰতিখন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

দক্ষিণ কোৰিয়াৰ যুৱান বিমান বন্দৰত কালি পুৱা এখন যাত্ৰীবাহী বিমান ৰানৱেৰ পৰা ওলাই গৈ সীমাৰ ফেঞ্চিঙত খুন্দা মাৰি বিস্ফোৰিত হোৱাৰ ফলত বিমানখনত থকা ১৮১ গৰাকী লোকৰ ভিতৰত ১৭৯ গৰাকী নিহত হয়। **দি আছাম ট্ৰিবিউন** কাকতে আলোকচিত্ৰসহ প্ৰথম পৃষ্ঠাত এই বাতৰি প্ৰকাশ কৰিছে।

বিশ্ব স্বাস্থ্য সংস্থাই প্ৰকাশ কৰা শেহতীয়া বিশ্ব মেলেৰিয়া প্ৰতিবেদন অনুসৰি মেলেৰিয়া নিৰ্মূলৰ ক্ষেত্ৰত ভাৰতে উল্লেখযোগ্য সফলতা লাভ কৰিছে। আনহাতে প্ৰতিবেদন অনুসৰি অসমত মেলেৰীয়া ৰোগীৰ সংখ্যা বৃদ্ধি পোৱাৰ বাতৰিটো **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

**অসমীয়া প্ৰতিদিন** কাকতে ২০২৫ বৰ্ষৰ ফেব্ৰুৱাৰী মাহৰ প্ৰথম ভাগত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নিৰ্বাচন অনুষ্ঠিত হোৱাৰ বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

মধ্যপ্ৰাচ্যত ইজৰাইল আৰু তিনি প্ৰতিপক্ষ, পূব ইউৰোপত ৰাছিয়া আৰু ইউক্ৰেইন, বাংলাদেশত আৰাকান আৰ্মীয়ে যুদ্ধত অৱতীৰ্ণ হৈ থকাৰ সময়তে পাকিস্তানৰ সৈতে আফগানিস্তানৰ তালিবান সেনাৰ সংঘৰ্ষৰ সূত্ৰপাত হৈছে। **আমাৰ অসম** কাকতে বছৰটোৰ শেষত ছখনকৈ যুদ্ধৰে ভাৰাক্ৰান্ত বিশ্ব শিৰোনামেৰে এই বাতৰি প্ৰকাশ কৰিছে।

দৈনিক জনমভূমি কাকতে প্ৰাক্তন প্ৰধানমন্ত্ৰী মনমোহন সিঙৰ চিতাভস্ম কালি দিল্লীৰ গুৰুদ্বাৰা মঞ্জু কা টিলা চাহিবৰ ওচৰত যমুনাৰ ঘাটত বিসৰ্জন দিয়াৰ বাতৰিটো আলোকচিত্ৰসহ প্ৰথম পৃষ্ঠাত স্থান দিছে।

শিলচৰত আৰক্ষীৰ ড্ৰাগচ বিৰোধী অভিযানত প্ৰায় ১৫ কোটি টকাৰ ৫০ সহস্ৰাধিক য়াবা টেবলেট জব্দ কৰাৰ বাতৰি **নিয়মীয়া বাৰ্তা** কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

ৰাজ্যৰ আদালতসমূহত ৯৩৭ টা ব্যৱসায়ীক গোচৰ অমীমাংসিত হৈ আছে বুলি **দ্যা ছেণ্টিনেল** কাকতে এটা বাতৰিক বিশেষ গুৰুত্ব দিছে।

দৈনিক অগ্ৰদূত কাকতে মাজুলী-অফলামুখৰ নৈশ ফেৰী সেৱা পুনৰ অনিৰ্দিষ্টকাললৈ বন্ধ ঘোষণা কৰাৰ বাতৰি প্ৰকাশ কৰিছে।

কোকৰাঝাৰত একেদিনাই ১৫ খন বড়ো ভাষাৰ গ্ৰন্থ উন্মোচন কৰা হৈছে। এয়া **অসমীয়া খবৰ** কাকতৰ বাতৰি।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০

গোলাঘাট জিলাৰ খুমটাইত আজিৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে তৃতীয় পৰ্যায়ত খুমটাই উদ্ভিদ আৰু পুষ্প মহোৎসৱৰ আয়োজন কৰা হৈছে। মন্ত্ৰী অতুল বৰাই বিধায়ক মৃণাল শইকীয়াৰ সৈতে কালি এই উৎসৱ সন্দৰ্ভত আলোচনাত মিলিত হয়। এই প্ৰয়াসৰ জৰিয়তে ৰাইজে নতুন অভিজ্ঞতা লাভ কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। উদ্ভিদ আৰু ফুলৰ ব্যৱসায়ৰ সৈতে জড়িত যুৱ উদ্যমীসকলক উৎসাহ যোগোৱা তথা ৰাইজৰ হিতাৰ্থে গ্ৰহণ কৰা এনে পদক্ষেপৰ বাবে তেওঁ বিধায়কগৰাকীক ধন্যবাদ জনায়।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰত অংশকালীন সংবাদদাতা হিচাপে ডিব্ৰুগড়, ধেমাজি, বিশ্বনাথ, হোজাই, কামৰূপ, বজালী, পশ্চিম কাৰ্বি আংলং আৰু কাছাৰ জিলাৰ আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। সবিশেষ জানিবলৈ আৰু আবেদন পত্ৰ ডাউনলোড কৰিবলৈ প্ৰাৰ্থীয়ে www.newsonair.gov.in ত লগ ইন কৰিব পাৰে। অহা ১০ জানুৱাৰী ২০২৫ৰ ভিতৰত সম্পূৰ্ণ আবেদন পত্ৰ The Head of Office, Akashvani, Guwahati, Guwahati-781003 লৈ পঠাব লাগিব। প্ৰাৰ্থীয়ে নিজ হাতেও আবেদন পত্ৰ জমা দিব পাৰে।

০০০০০০

মেলবৰ্ণত অনুষ্ঠিত ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ বৰ্ডাৰ গাভাস্কাৰ ট্ৰফী টেষ্ট শৃংখলাৰ চতুৰ্থখন টেষ্ট আকৰ্ষণীয় পৰ্যায়ত উপনীত হৈছে। আজি পঞ্চম দিনা ভাৰতে ৩৪০ ৰাণৰ লক্ষ্যৰে খেল আৰম্ভ কৰি আমাৰ বাতৰি যুগুতোৱাৰ পৰলৈকে তিনিটা উইকেট হেৰুৱাই ৯২ ৰাণ সংগ্ৰহ কৰিছে। চতুৰ্থখন টেষ্টত ভাৰতক জয়ৰ বাবে ৫০ অ'ভাৰত ২৪৮ ৰানৰ প্ৰয়োজন। ৰোমাঞ্চকৰ পৰ্যায়ত উপনীত খেলখনত জয়ী হৈ চিৰিজটোত অগ্ৰগতি লাভৰ বাবে দুয়োটা দলেই সংগ্ৰাম অব্যাহত ৰাখিছে।

ইয়াৰ পূৰ্বে অষ্ট্ৰেলিয়াই কালি সংগ্ৰহ কৰা ২২৮ ৰাণৰ পৰা আজি দ্বিতীয় ইনিংছৰ খেল আৰম্ভ কৰি ২৩৬ ৰাণতেই আটাইকেইটা উইকেট হেৰুৱায়। যশপ্ৰীত বুমৰাই ৫টা উইকেট দখল কৰে। অষ্ট্ৰেলিয়াৰ হৈ নাথান লিয়ন আৰু স্কট ব'লাণ্ডে অন্তিম উইকেটত ৬১ ৰাণ যোগ দিয়ে। পাঁচখনীয়া এই শৃংখলাত দুয়োটা দলে ১-১ সমতা স্থাপন কৰি আছে।

০০০০০০

শিৱসাগৰৰ বৰ্ডিং খেলপথাৰত অনুষ্ঠিত অসম ৰছীটনা প্ৰতিযোগিতাৰ কালি সামৰণি পৰে। দুশৰো অধিক প্ৰতিযোগিৰ অংশগ্ৰহণেৰে অনুষ্ঠিত প্ৰতিযোগিতাৰ পুৰুষ শাখাত কামৰূপ দলে চূড়ান্ত বিজয়ী সন্মান লাভ কৰে। প্ৰতিযোগিতাত গোলাঘাট আৰু শোণিতপুৰ দলে ক্ৰমে দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হয়। আনহাতে মহিলাৰ শাখাত গোলাঘাট চেম্পিয়ন হোৱাৰ লগতে দ্বিতীয় আৰু তৃতীয় শ্ৰেষ্ঠ জিলা হিচাপে শোণিতপুৰ আৰু ডিমাহাচাও নিৰ্বাচিত হয়।

০০০০০০

বতৰৰ বতৰা– বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই দিয়া আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত অসম, অৰুণাচল প্ৰদেশ, আৰু মেঘালয়ত পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ বতৰ শুকান হৈ থাকিব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই জানিবলৈ দিছে। অসমকে ধৰি আটাইকেইখন ৰাজ্যক ঘন কুঁৱলীয়ে আৱৰি ৰখাৰ সম্ভাৱনা থকাৰ পৰিপ্ৰেক্ষিতত বতৰ বিজ্ঞান কেন্দ্ৰই সতৰ্কতা জাৰি কৰিছে। কালি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা আছিল ২৬ দশমিক ৯ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা আছিল ১১ দশমিক ৪ ডিগ্ৰী ছেলছিয়াছ। অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ কাষৰীয়া অঞ্চলসমূহৰ সৰ্বোচ্চ তাপমাত্ৰা ২৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১২ ডিগ্ৰী ছেলছিয়াছৰ আশে-পাশে থকাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই জানিবলৈ দিছে।

০০০০০০

সমাপ্ত